**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-01-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***
***00000***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ সৈতে দুয়োখন দেশৰ মাজৰ কৌশলগত সহযোগিতা সুদৃঢ় কৰা সন্দৰ্ভত টেলিফোনযোগে কথা পাতে।

২। ভাৰত বাণিজ্যিকভাৱে পথ নিৰ্মাণত ব্যৱহৃত জৈৱ-বিটুমিন উৎপাদন কৰা বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰিয়ে প্ৰকাশ কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত লেফটেনেণ্ট জেনেৰেল এছ্ কে সিন্হাৰ জন্মশতবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

৪। ছত্তিশগড়ৰ ছুকমা জিলাত আজি ২৬জন নক্সালবাদীয়ে আত্মসমৰ্পণ কৰে।

*আৰু*

৫। মালয়েছিয়া অ'পেন ছুপাৰ ৰান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাত পি ভি সিন্ধুৱে মহিলাৰ ছিংগলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ সৈতে টেলিফোনযোগে কথা পাতি দুয়োখন দেশৰ মাজৰ কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। দুয়োগৰাকী নেতাই গণতান্ত্ৰিক মূল্যবোধ, গভীৰ পাৰস্পৰিক বিশ্বাস আৰু দূৰদৰ্শী দৃষ্টিভংগীকে ধৰি ভাৰত-ইজৰাইলৰ কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰাৰ অগ্ৰাধিকাৰমূলক বিষয়সমূহ চিনাক্ত কৰে। তেওঁলোকে লগতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতিৰ কথা দোহাৰে আৰু ইয়াৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰনিশ্চিত কৰে। দুয়োগৰাকী নেতাই নতুন বছৰৰ অভিনন্দন জ্ঞাপন কৰাৰ লগতে দুয়োখন দেশৰ জনসাধাৰণৰ শান্তি আৰু সমৃদ্ধি কামনা কৰে।

০০০০০০০০০

ভাৰত বাণিজ্যিকভাৱে পথ নিৰ্মাণত ব্যৱহৃত জৈৱ-বিটুমিন উৎপাদন কৰা বিশ্বৰ প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছে বুলি পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাড়কাৰিয়ে প্ৰকাশ কৰিছে। বিটুমিন হৈছে খাৰুৱা তেলৰ পৰা বিভাজন কৰি প্ৰস্তুত কৰা হাইড্ৰ'কাৰ্বনৰ ক'লা ৰঙৰ ডাঠ মিশ্ৰণ, যাক পথ নিৰ্মাণত ব্যৱহাৰ কৰা হয়। নতুন দিল্লীত আজি বৈজ্ঞানিক আৰু ঔদ্যোগিক অনুসন্ধান পৰিষদ, চি এছ্ আই আৰ প্ৰযুক্তি হস্তান্তৰ সমাৰোহত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চি এছ্ আই আৰক এই ঐতিহাসিক মাইলৰ খুঁটিৰ বাবে অভিনন্দন জনায়। শ্ৰীগাডকাৰীয়ে কয় যে এই পদক্ষেপে শস্যৰ অৱশিষ্ট জ্বলোৱাৰ পাছত হোৱা প্ৰদূষণ হ্ৰাস কৰাত সহায় কৰিব। তেওঁ লগতে জৈৱ-বিটুমিনক ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ দিশত এটা ৰূপান্তৰমূলক পদক্ষেপ বুলি উল্লেখ কৰে। অনুষ্ঠানত ভাষণ দি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কয় যে এই সফলতা প্ৰাপ্তিৰ জৰিয়তে ভাৰতে স্বচ্ছ আৰু সেউজ ঘাইপথৰ নতুন যুগত প্ৰৱেশ কৰিলে। তেওঁ লগতে কয় যে এই পদক্ষেপে **আৱৰ্জনাৰ পৰা সম্পদলৈ** অভিযানত সমৰ্থন আগবঢ়োৱাৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্য প্ৰাপ্তিত অৰিহণা যোগাব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা দেওবাৰে গুজৰাটৰ সোমনাথ মন্দিৰ দৰ্শন কৰি **সোমনাথ স্বাভিমান পৰ্ব**ত অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে সোমনাথ মন্দিৰত হোৱা প্ৰথমটো আক্ৰমণৰ হাজাৰ বছৰৰ স্মৃতি ৰোমন্থন কৰি ২০২৬ বৰ্ষত বছেৰেকীয়াভাৱে উদযাপন কৰাকৈ বহুবোৰ কাৰ্যসূচী হাতত লোৱা হৈছে। ভাৰতৰ পাৰম্পৰিক ভক্তি ভাৱ, সংস্কৃতি আৰু

সামাজিক কৰ্মসমূহক সামৰি লৈ কাইলৈৰ পৰা ১১ জানুৱাৰীলৈকে **সোমনাথ স্বাভিমান পৰ্ব**ৰ আয়োজন কৰিবলৈ লোৱা হৈছে। উল্লেখযোগ্য যে চৰ্দাৰ বল্লভ ভাই পেটেলে ১৯৫১ চনত সোমনাথৰ পুনৰনিৰ্মিত মন্দিৰৰ উদ্বোধন কৰিছিল। সেই দিনটোৰ ৭৫ বছৰীয়া জয়ন্তীও এই **স্বাভিমান পৰ্ব**ৰ সৈতে সংযুক্ত হৈ আছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰাচীন আক্ৰমণকাৰীসকলৰ পৰ্যাপ্ত চেষ্টাৰ পাছতো থিয় হৈ ৰোৱা এই মন্দিৰে ভাৰতীয় লোকসকলৰ অদম্য সাহসৰ পৰিচয় দাঙি ধৰে।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত লেফটেনেণ্ট জেনেৰেল এছ্ কে সিন্‌হাৰ জন্মশতবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। লেফটেনেণ্ট জেনেৰেল এছ্ কে সিন্‌হা স্মাৰক বক্তব্যত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লৈ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে জেনেৰেল সিন্‌হাৰ ঐতিহ্যৰ প্ৰশংসা কৰি সকলোকে তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে কয় যে এছ্ কে সিন্‌হাই ৰাষ্ট্ৰৰ নিৰাপত্তাক কেৱল শসস্ত্ৰ বাহিনীৰ দায়িত্ব হিচাপে ধৰা নাছিল। উল্লেখযোগ্য যে লেফটেনেণ্ট জেনেৰেল এছ্ কে সিন্‌হা সেনাৰ এগৰাকী অন্যতম পাৰদৰ্শী জেনেৰেল আছিল। তেওঁ দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বাৰ্মা আৰু ইণ্ডোনেছিয়াত যুদ্ধত অংশ লৈছিল। তেওঁ লগতে জম্মু-কাশ্মীৰৰ ৰাজ্যপাল হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

ooooooooo

চৰকাৰে সামাজিক মাধ্যমত বিয়পি পৰা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে বিনিয়োগ আঁচনি প্ৰচাৰৰ এটা ভিডিঅ' খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰোৰ তথ্য অনুসন্ধান গোটে এই ভিডিঅ'টোক এ-আইৰ দ্বাৰা নিৰ্মিত ভুৱা ভিডিঅ' বুলি উল্লেখ কৰিছে। বিত্ত মন্ত্ৰীগৰাকীয়ে এনে কোনো আঁচনি প্ৰচাৰ কৰা নাই বুলি তথ্য অনুসন্ধান গোটে স্পষ্ট কৰি দিছে। পি আই বিয়ে নাগৰিকসকলক যিকোনো বিত্তীয় দাবী সদায় চৰকাৰী পোৰ্টেল অথবা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দৰে নিয়ামক প্ৰতিষ্ঠানৰ পৰা সত্যাসত্য নিৰূপণ কৰিবলৈ আহ্বান জনাইছে। চৰকাৰে লগতে জনসাধাৰণক যিকোনো ধৰণৰ সন্দেহযুক্ত লিংক খোলাৰ পৰা বিৰত থাকিবলৈ আৰু বেংকৰ তথ্য অথবা অ'টিপি শ্বেয়াৰ নকৰিবলৈ আহ্বান জনাইছে।

ooooooooo

ছত্তিশগড়ৰ ছুকমা জিলাত আজি ২৬জন নক্সালবাদীয়ে আত্মসমৰ্পণ কৰে। ইয়াৰে ১৩জন নক্সালবাদীৰ শিৰৰ মূল্য ৬৫ লাখ টকা আছিল। ছুকমা জিলাৰ আৰক্ষী অধীক্ষক কিৰণ চাৱনে প্ৰকাশ কৰা মতে পুনা মাৰ্জেম পুনৰ্বাস পদক্ষেপৰ অধীনত ৭গৰাকী মহিলাকে ধৰি নক্সালবাদীৰ দলটোৱে শীৰ্ষ আৰক্ষী বিষয়া আৰু চি আৰ পি এফৰ বিষয়াৰ সন্মুখত আত্মসমৰ্পণ কৰে। আত্মসমৰ্পণকাৰী নক্সালবাদী কেইজন পিপ্‌লছ্ লিবাৰেচন গৰিলা আৰ্মী বেটেলিয়নৰ সদস্য আছিল আৰু তেওঁলোকে দক্ষিণ বাষ্টাৰ, মাড আৰু অন্ধ্ৰ-ওড়িশা সীমান্তৰ মাওবাদী অধ্যুষিত অঞ্চলত সক্ৰিয় হৈ আছিল। তেওঁলোকে লগতে ছত্তিশগড়ৰ অবুজমাড, ছুকমাকে ধৰি ওড়িশাৰ সীমান্ত অঞ্চলসমূহত বিভিন্ন হিংসাত্মক ঘটনাৰ সৈতে জড়িত আছিল বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰে। নক্সাল কেডাৰসকলে ছত্তিশগড় চৰকাৰৰ আত্মসমৰ্পণ আৰু পুনৰসংস্থাপন নীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই সিদ্ধান্ত লোৱা বুলি উল্লেখ কৰে। তেওঁলোকক প্ৰত্যেককে ৫০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয় আৰু পাছত চৰকাৰৰ নীতি অনুসৰি পুনৰসংস্থাপনৰ ব্যৱস্থা কৰা হ'ব বুলি আৰক্ষী অধীক্ষক চাৱনে প্ৰকাশ কৰে।

ooooooooo

টি-২০ বিশ্বকাপৰ ট্ৰফী আজি নেপালৰ কাঠমাণ্ডুৰ ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ বুদ্ধস্তুপত জনসাধাৰণৰ বাবে প্ৰদৰ্শন কৰা হয়। আজি সন্ধিয়া কাঠমাণ্ডুৰ আন এক বিশ্ব ঐতিহ্য ক্ষেত্ৰত বসন্ত দৰবাৰ স্কোৱেৰত ট্ৰফীটো ৰখা হ'ব। কালি এই ট্ৰফীটো পোখাৰাত ৰখা হৈছিল। কাঠমাণ্ডুৰ শীতল নিৱাসত ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌদেলে ট্ৰফীটো ৰাইজলৈ মুকলি কৰি দি কয় যে নেপালৰ বাবে ট্ৰফীটো বিভিন্ন ঐতিহ্য ক্ষেত্ৰসমূহত ৰাখিব পৰাটো গৌৰৱৰ বিষয়। ৰাষ্ট্ৰপতিগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট সংস্থাই লোৱা এই উদ্যোগৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

oooooooo

দিল্লী উচ্চ ন্যায়ালয়ে উত্তৰাখণ্ডৰ অংকিতা ভাণ্ডাৰী হত্যাৰ গোচৰত বিজেপিৰ নেতা দুষ্যন্ত কুমাৰ গৌতমৰ সৈতে সম্পৰ্কিত সকলো পোষ্ট ২৪ ঘণ্টাৰ ভিতৰত সামাজিক মাধ্যমৰ পৰা আঁতৰাই দিবলৈ কংগ্ৰেছ আৰু আম আদমী পাৰ্টীক নিৰ্দেশ দিছে। বিজেপিৰ নেতা দুষ্যন্ত গৌতমৰ মানহানি গোচৰৰ এটা অন্তৰৱৰ্তী আদেশত ন্যায়াধীশ মিনি পুস্কৰ্নাই আজি দুয়োটা

ৰাজনৈতিক দলকে বিজেপিৰ ৰাষ্ট্ৰীয় সচিবগৰাকীক এই হত্যাকাণ্ডৰ অভিযুক্ত ভি আই পি হিচাপে সামাজিক মাধ্যমত কোনো ধৰণৰ পোষ্ট প্ৰচাৰ নকৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে লগতে উত্তৰাখণ্ডৰ প্ৰদেশ কংগ্ৰেছ সমিতি আৰু উৰ্মিলা ছানাৱাৰকে ধৰি আন ব্যক্তি আৰু সংস্থাৰ বিৰুদ্ধেও অন্তৰ্বৰ্তী আদেশ জাৰি কৰে। ২৪ ঘণ্টাৰ ভিতৰত এনে পোষ্টসমূহ আঁতৰাই নিদিলে সামাজিক মাধ্যম প্লেটফৰ্মৰ নিয়ম অনুযায়ী এইসমূহ আঁতৰাই দিয়া হ'ব বুলি ন্যায়াধীশগৰাকীয়ে স্পষ্ট কৰি দিয়ে।

০০০০০০০০০

পাকিস্তানৰ পঞ্জাৱ প্ৰদেশৰ তালাগাঙৰ সমীপৰ এটা খাৱৈত আজি পুৱা এখন যাত্ৰীবাহী বাছ বাগৰি পৰাৰ ফলত পাঁচজন লোকৰ মৃত্যু হোৱাৰ লগতে ২৪জন লোক আহত হয়। দেশখনৰ সংবাদ মাধ্যমত প্ৰকাশ কৰা অনুসৰি ধোকে পাঠান গাঁৱৰ মাজেৰে ছোৱান নদীৰ পাৰেৰে গৈ থকাৰ সময়ত বাছখনৰ চালকজনে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলত বাছখন প্ৰায় ১০০ ফুট দ' খাৱৈত বাগৰি পৰে।

০০০০০০০০০

বেডমিণ্টন তাৰকা পি ভি সিন্ধুৱে মালয়েছিয়া অ'পেন ছুপাৰ ৱান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ অপেনিং ৰাউণ্ডত চীনা টাইপেইৰ চাং ছুঅ' য়ুনক ২১-১৩, ২২-২০ পোনপটীয়া চেটত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। দ্বিতীয় ৰাউণ্ডত সিন্ধুৱে জাপানৰ ট'ম'কা মিয়াজাকিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পূৰ্বৰ বিশ্ব চেম্পিয়নগৰাকীয়ে যোৱা বছৰ ভৰিৰ আঘাতৰ পৰা আৰোগ্য লাভ কৰাৰ পাছত প্ৰথম বাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে।

প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছ্‌ত সাত্বিক ছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটীয়ে চীনা টাইপেইৰ যুটীক ২১-১৩, ২১-১৫ চেটত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০০০

সমাপ্ত